BU/EX/PG/SEM-2/2.01

**2018**

# ASSAMESE

ASM : 2.01

## DRAMATIC TRENDS AND MOVEMENTS (EAST & WEST) ASSAMESE DRAMA

Full Marks : 80

Time : 3 Hours

*The figures in the margin indicates full marks for the questions*

১। উত্তৰ লিখা ঃ ১×১০=১০

ক) শংকৰদেৱে 'ৰামবিজয়' নাটক কথাবস্তু ক'ৰপৰা চয়ন কৰিছে?

খ) 'কথাকলি' কোন ৰাজ্যৰ লোকনাট্য?

গ) অংকীয়া ভাওনাত সূত্ৰধাৰে অনুষ্ঠিত কৰা এটা কাৰ্য উল্লেখ কৰা।

ঘ) ঝুমুৰা মানে কি?

ঙ) গুৰুদত্ত কোনজন সাহিত্যিকৰ ছদ্মনাম?

চ) পদ্মনাথ গোহাঞিবৰুৱাৰ এখন বুৰঞ্জীমূলক নাটকৰ নাম লিখা।

ছ) 'দি চেয়াৰছ্' (The chairs) নাটকখনৰ নাট্যকাৰ কোন?

জ) যুগল দাসৰ 'বায়নৰ খোল' নাটকখনত কি থলুৱা নাট্যৰীতি প্ৰয়োগ কৰা হৈছে?

ঝ) 'An Enemy of people' কোন শ্ৰেনীৰ নাটক?

ঞ) 'সভ্যতাৰ সংকট' নাটকখনৰ নাট্যকাৰ কোন?

২। চমুকৈ উত্তৰ লিখা ঃ ২×৫=১০

ক) মাধৱদেৱৰ হয় নে নহয় সন্দেহ থকা দুখন নাটকৰ নাম লিখা।

খ) পঞ্চসন্ধি মানে কি?

গ) জ্যোতিপ্ৰসাদৰ দুখন অসম্পূৰ্ণ নাটকৰ নাম লিখা।

ঘ) 'ওজাপালি'ৰ আংগিক ব্যৱহাৰ কৰা আধুনিক অসমীয়া নাটক দুখনৰ নাম লিখা।

ঙ) ৰোমাণ্টিক নাটক আৰু বাস্তৱবাদী নাটকৰ দুটা পাৰ্থক্য লিখা।

৩। চমুকৈ উত্তৰ লিখা ঃ (যি কোনো দুটা) ২×৫=১০

ক) মাধৱদেৱৰ নাটৰ ভক্তিৰস

খ) নান্দী

গ) 'ৰাম নৱমী' নাটকৰ ভাষা

ঘ) অসমীয়া বাস্তৱবাদী নাটক

৪। অংকীয়া ভাওনাত নাট্যশাস্ত্ৰৰ বিধি-নিষেধ বিষয়ক এক নিৱন্ধ যুগুত কৰা। ৭

অথবা

আধুনিক অসমীয়া নাটকত শ্বেক্সপীয়েৰৰ প্ৰভাৱ বিচাৰ কৰা। ৭

৫। 'পাৰিজাত হৰণ' নাটখনিক শংকৰদেৱৰ শ্ৰেষ্ঠ নাট বুলি কিয় কোৱা হয়, বিচাৰ কৰা। ৭

অথবা

ঝুমুৰা হিচাপে মাধৱদেৱৰ 'চোৰধৰা' নাটখনি আলোচনা কৰা। ৭

তলত যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা। ১২

৬। অংকীয়া নাটক আৰু সংস্কৃত নাটকৰ বৈশিষ্ঠ্য সমূহ দেখুৱাই দি কোনবোৰ কাৰণত অংকীয়া নাটকৰ মৌলিকতা পৰিদৃশ্যমান হয় সেই সম্পৰ্কত এক তত্ত্বগধুৰ নিবন্ধ প্ৰস্তুত কৰা।

৭। প্ৰথম অসমীয়া সামাজিক নাটক হিচাপে গুনাভিৰাম বৰুৱাৰ 'ৰাম-নৱমী' নাটকৰ ঐতিহাসিক মূল্য বিচাৰ কৰা। ১২

৮। অসমীয়া বাস্তৱধৰ্মী আৰু এবচাৰ্ড নাটকৰ বিৱৰ্তনত পাশ্চত্য নাট্যশৈলীৰ প্ৰভাৱ বিচাৰ কৰা। ১২

৯। জ্যোতিপ্ৰসাদ আগৰৱালাই 'কাৰেঙৰ লিগিৰী' নাটকখনৰ মাজেৰে নাৰী চৰিত্ৰৰ বিভিন্ন দিশ কেনেদৰে চিত্ৰিত কৰিছে, নিদৰ্শনসহ আলোচনা কৰা। ১২

১০। অৰুণ শৰ্মাৰ 'আহাৰ' নাটকৰ চৰিত্ৰ চিত্ৰন আৰু সংলাপ প্ৰয়োগ সম্পৰ্কত এক আলোচনা যুগুত কৰা। ১২